# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-AUGUST-2026
**Time :** 6-00 PM

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মৰিগাওঁ জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ পৰ্যালোচনা।

২। ৰাষ্ট্ৰীয় শিক্ষক দিৱস উপলক্ষে অহা ৫ ছেপ্তেম্বৰত নতুন দিল্লীত ২১ জন শিক্ষক তথা অধ্যাপকলৈ ৰাষ্ট্ৰপতিৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটা।

৩। কৃষি মন্ত্ৰী পীযুষ হাজৰিকাৰ জাগীৰোডত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সহস্ৰাধিক হিতাধিকাৰীৰ সৈতে মত বিনিময়। **আৰু**

৪। অসমৰ মায়ংক চক্ৰৱৰ্তী ল'ৰাৰ এছিয়ান জুনিয়ৰ ডবা প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাত খিতাপ দখল।

০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নগাওঁ আৰু মৰিগাওঁ জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ বুজ লয়। মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত জিলা আয়ুক্ত সৃষ্টি সিঙে নিৰ্বাচনী প্ৰস্তুতি আৰু ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে শ্ৰীগোৱেলক অৱগত কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে পৰিবহন ব্যৱস্থা, ই ভি এমৰ ব্যৱহাৰ, নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন কোষৰ কাম-কাজ আৰু সমন্বয়কে ধৰি গুৰুত্বপূৰ্ণ দিশসমূহৰ বুজ লয়। শ্ৰীগোৱেলে সংশ্লিষ্ট বিষয়াসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰিবলৈ আৰু নিৰ্বাচন আয়োগে জাৰি কৰা নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী বিষয়া উপস্থিত থাকে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আসন্ন উপ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব বিচৰা দলীয় সদস্যসকলৰ পৰা ২৮ আগষ্টৰ ভিতৰত আবেদন বিচাৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভাৰ বিৰোধী পক্ষৰ উপনেতা গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে ইতিমধ্যে দলৰ প্ৰাৰ্থী বাচনি প্ৰক্ৰিয়া আৰম্ভ হৈছে।

এ আই ইউ দি এফেও উপ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ বিষয়টো পুনৰ বিবেচনা কৰিছে। দলটোৱে পূৰ্বতে ৰেজাউল কৰিম সৰকাৰক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছিল যদিও দলটোৱে তেওঁৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা আছে। ইফালে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই নগাওঁ লোকসভা সমষ্টিৰ উপ নিৰ্বাচনক জটিল আৰু প্ৰত্যাহ্বানমূলক বুলি অভিহিত কৰিছে। তেওঁ অৱশ্যে দলটোৱে নিৰ্বাচনত জয় লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় শিক্ষক দিৱস উপলক্ষে অহা ৫ ছেপ্তেম্বৰত নতুন দিল্লীত উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিকৰ ২১ গৰাকী শিক্ষক তথা অধ্যাপকক ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰে সন্মানিত কৰিব। কেন্দ্ৰীয় উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ১২ গৰাকী শিক্ষক, ৩ খন চৰকাৰী আৰু ২ খন ব্যক্তিগত মহাবিদ্যালয়কে ধৰি ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ পৰা ৫ গৰাকী আৰু পলিটেকনিকৰ ৪ গৰাকী শিক্ষকক এই বঁটাৰ বাবে বাচনি কৰা হৈছে। শিক্ষা

খণ্ডলৈ আগবঢ়োৱা অতুলনীয় সেৱাৰ বাবে এই বঁটা আগবঢ়োৱা হয়। বাচনি লাভ কৰা শিক্ষকসকলৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক অংকুৰণ দত্ত আৰু যোৰহাটৰ আদৰ্শ জনজাতীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজেশ বৰদলৈ আছে। ড° অংকুৰণ দত্তক উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিক শাখাৰ বাবে আৰু ৰাজেশ বৰদলৈক বিদ্যালয় শিক্ষক শাখাৰ বাবে বাচনি কৰা হৈছে।

**বাইট- অংকুৰণ দত্ত**

০০০০০

ধেমাজি সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি অনুসূচিত জাতি, জনজাতি, সজাগতা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ধেমাজি জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত অনুসূচিত জাতি, জনজাতিৰ অধিকাৰ, সজাগতা, সামাজিক সুৰক্ষা, কল্যাণ আৰু উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। সভাত পিছপৰা আৰু প্ৰান্তীয় লোকসকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ লগতে তেওঁলোকৰ বাবে থকা চৰকাৰী আঁচনি আৰু সুবিধাসমূহৰ সঠিক ৰূপায়ণৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। সভাত অংশগ্ৰহণ কৰি চিচিবৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জীৱন গগৈয়ে অনুসূচিত জাতি, জনজাতি লোকসকলৰ সামাজিক ন্যায়, সমতা আৰু সৰ্বাংগীণ উন্নয়নৰ বাবে প্ৰতিগৰাকী নাগৰিকৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত কৰি এখন ন্যায়সংগত সমাজ গঢ়াৰ পোষকতা কৰে। বৈঠকত জিলা অতিৰিক্ত আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আজি ডিজিটেল শস্য সমীক্ষা ''খাৰিফ ২০২৬-২৭'' সন্দৰ্ভত জিলা পৰ্যায়ৰ এটা বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত ২০২৬-২৭ খাৰিফ বৰ্ষৰ ডিজিটেল শস্য সমীক্ষাৰ বাবে নিয়োজিত পৰ্যবেক্ষক, জৰীপকাৰী আৰু পৰীক্ষণকাৰী বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। সহকাৰী কৃষি সঞ্চালক আৰু জিলা ন'ডেল বিষয়াৰ উপস্থিতিত অনুষ্ঠিত এই প্ৰশিক্ষণত ডিজিটেল শস্য সমীক্ষাৰ উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু সমীক্ষা সম্পন্ন কৰাৰ পদ্ধতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই সমীক্ষাৰ জৰিয়তে কৃষক ৰাইজ কেনেদৰে উপকৃত হ'ব আৰু কৃষি খণ্ডৰ সঠিক তথ্য সংগ্ৰহৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব তথা সমীক্ষা প্ৰক্ৰিয়াৰ সফল ৰূপায়ণৰ বিভিন্ন দিশতো আলোকপাত কৰা হয়। অনুষ্ঠানত মহকুমা কৃষি বিষয়া, কৃষি তথ্য বিষয়া, কৃষি উন্নয়ন বিষয়াৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয় জব ফেয়াৰ সমিতিৰ উদ্যোগত আজি এখন নিয়োগ মেলা অনুষ্ঠিত হয়। শৈক্ষিক প্ৰতিভা আৰু উদ্যোগ খণ্ডৰ কৰ্মসংস্থাপনৰ সুযোগক একেখন মঞ্চত সংযুক্ত কৰাৰ লক্ষ্যৰে আয়োজিত এই নিয়োগ মেলাত ৬৫টা প্ৰতিষ্ঠানত নিয়োগৰ সুযোগ লাভ কৰাৰ বাবে প্ৰায় ৬০০ গৰাকী প্ৰাৰ্থীয়ে পঞ্জীয়ন কৰে। এই নিয়োগ মেলাৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি উপাচাৰ্য, অধ্যাপক ননীগোপাল মহন্তই কয়, যে শিক্ষাৰ্থী আৰু চাকৰি প্ৰত্যাশীসকলৰ অৰ্থপূৰ্ণ কেৰিয়াৰ সুযোগৰ সৈতে সংযোগ কৰা, বিশ্ববিদ্যালয় আৰু উদ্যোগ খণ্ডৰ মাজৰ সহযোগিতামূলক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে এনে নিয়োগ মেলা অত্যন্ত প্ৰয়োজনীয়। নিয়োগ মেলাৰ আহ্বায়ক ড০ সমীৰ সৰকাৰে শিক্ষাৰ্থীসকলৰ শিক্ষা জীৱনৰ পৰা কৰ্মজীৱনলৈ উত্তৰণত বিশ্ববিদ্যালয়ৰ ভূমিকা আৰু দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই নিয়োগ মেলাত বেংকিং আৰু বিত্তীয় সেৱা, তথ্য প্ৰযুক্তি, দূৰসংযোগ, ডিজিটেল সেৱা, স্বাস্থ্যসেৱা, শিক্ষা, মাইক্ৰ'ফাইন্স তথা অন্যান্য সহযোগী খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহ অংশগ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক সমাজ আৰু উদ্যোগ খণ্ডৰ মাজত প্ৰত্যক্ষ আৰু সুদৃঢ় সংযোগ স্থাপনৰ ক্ষেত্ৰত নিয়োগ মেলাই বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

অসমৰ মায়ংক চক্ৰৱৰ্তীয়ে মুম্বাইত অনুষ্ঠিত এছিয়ান জুনিয়ৰ লৰাৰ শাখাৰ ডবা প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। মায়ংকে আজি সামৰণি পৰা প্ৰতিযোগিতাৰ নৱম ৰাউণ্ডৰ অন্তত ৭ দশমিক ৫ পইণ্ট অৰ্জন কৰি খিতাপ হস্তগত কৰে। ইপিনে কৰ্ণাটকক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰীতিতি বৰদলৈ ছোৱালীৰ শাখাত বিজয় সন্মান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দুয়োগৰাকী খেলুৱৈক অভিনন্দন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এছিয়াৰ এঘাৰখন দেশৰ প্ৰতিভাৱান খেলুৱৈৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমৰ খেলুৱৈৰ এনে প্ৰদৰ্শনে ৰাজ্যত ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ ইতিবাচক ছবি দাঙি ধৰিছে। তেওঁ কয়, যে ডবাৰ দৰে বুদ্ধিমত্তা, ধৈৰ্য্য, একাগ্ৰতা আৰু কৌশলৰ খেলত ৰাজ্যৰ যুৱ প্ৰতিভাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ সামৰ্থ প্ৰমান কৰিবলৈ সমৰ্থ হোৱাটো সচাকৈ আশাব্যঞ্জক। মায়ংক আৰু প্ৰীতিতিৰ সাফল্যক ডবা খেলত অসমৰ ক্ৰমবৰ্ধমান শক্তি আৰু সম্ভাৱনাৰ প্ৰতিফলন বুলি ডং শৰ্মাই মন্তব্য কৰে।

০০০০০

সমাপ্ত